# চন্দ্ৰৰ অতীত আৰু ভৱিষ্যৎ

✍শ্ৰেষ্ঠা চাংমাই

পৃথিৱীৰ একমাত্ৰ উপগ্ৰহ চন্দ্ৰ হৈছে সৌৰজগতৰ আটাইতকৈ ডাঙৰ উপগ্ৰহ।চন্দ্ৰৰ অতীত আৰু ভৱিষ্যতক লৈ বিজ্ঞানীসকলে বিভিন্ন মত প্ৰকাশ কৰিছে।

## চন্দ্ৰৰ অতীত

বিজ্ঞানীসকলৰ মতে সৌৰজগতৰ সৃষ্টিৰ সময়ত পৃথিৱীখনো গোলাকৃতিৰ এক উত্তপ্ত পিণ্ড আছিল। উত্তপ্ত অৱস্থাতেই থেইয়া নামৰ মঙ্গল গ্ৰহৰ আকৃতিৰ মহাজাগতিক পিণ্ডই পৃথিৱীখনক খুন্দা মাৰিছিল। তাৰ ফলত পৃথিৱীৰ এক অংশ উফৰি গৈ আন ভগ্নাংশৰ সতে পৃথিৱীৰ চাৰিওফালে এটা আঙুঠিৰ সৃষ্টি কৰিছিল।এটা সময়ত এই পদাৰ্থবোৰ ইটো-সিটোৰ লগ হৈ চন্দ্ৰৰ সৃষ্টি কৰিছিল।

আমি পৃথিৱীৰ পৰা চন্দ্ৰৰ এটা ফালহে দেখা পাওঁ। কিয়নো পৃথিৱী আৰু চন্দ্ৰক নিজ মেৰুদণ্ডত পাক মাৰিবলৈ প্ৰায় সমান সময়ৰ প্ৰয়োজন হয়। প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে চন্দ্ৰলৈ পঠোৱা মহাকাশযান বিলাকে চন্দ্ৰৰ নেদেখা ফালটোৰ প্ৰতিচ্ছবি তুলিবলৈ সক্ষম হ'ল। সেই প্ৰতিচ্ছবি বিলাকত এইটো



লক্ষ্য কৰা গ'ল যে আমি পৃথিৱীৰ পৰা দেখা চন্দ্ৰৰ ফালটোতকৈ আনটো ফালৰ দ' গাঁতৰ সংখ্যা আৰু ইহঁতৰ গভীৰতা তুলনামূলকভাৱে কম। এই বিষয়ে বিজ্ঞানী সকলে কৈছে যে, হয়তো আদিতে এটাৰ সলনি পৃথিৱীৰ দুটা উপগ্ৰহৰ সৃষ্টি হৈছিল। এটা ডাঙৰ আৰু আনটো সৰু; সৰু উপগ্ৰহটো ডাঙৰটোৰ পাছে পাছে গতি কৰিছিল। লাহে লাহে সৰু উপগ্ৰহটো ডাঙৰ উপগ্ৰহটোৰ কাষ চাপিছিল আৰু এটা সময়ত ই ডাঙৰ উপগ্ৰহটোৰ মধ্যাকৰ্ষণৰ কবলত পৰি ইয়াৰ লগত একলগ হৈ এটা ডাঠ তৰপৰ সৃষ্টি হৈছিল। বিজ্ঞানীসকলৰ মতে সৌৰজগতৰ সকলো সংঘৰ্ষ জোৰেৰে নহবও পাৰে আৰু চন্দ্ৰৰ সৃষ্টিও এক মৃদু সংঘৰ্ষৰ পৰিণতি বুলি ঠাৱৰ কৰিছে।এই সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা ডাঠ তৰপটোৰ বাবেই

হয়তো আমি নেদেখা চন্দ্ৰৰ ফালটোৰ গাঁতবোৰ বেছি দ নহয়।

**চন্দ্ৰৰ ভৱিষ্যৎ -**

কিছুসংখ্যক বিজ্ঞানীৰ মতে চন্দ্ৰই পৃথিৱীৰ ঘূৰ্ণন গতিত প্ৰভাৱ পেলায়। কালৰ গতিত চন্দ্ৰই পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিৰ আওঁতাৰ পৰা লাহে লাহে আঁতৰি যাব আৰু সেই আপাহতে সুদূৰ ভৱিষ্যতে চন্দ্ৰ হয়তো পৃথিৱীৰ উপগ্ৰহ হৈ নাথাকিব। ই পৃথিৱীৰ মধ্যাকৰ্ষণৰ পৰা আঁতৰি অজানিমুলুকলৈ গতি কৰিব।

আন কিছুসংখ্যক বিজ্ঞানীৰ মতে, চন্দ্ৰ ভৱিষ্যতে পৃথিৱীৰ কাষলৈহে চাপি আহিব। কাষলৈ চাপি আহোতে চন্দ্ৰই পৃথিৱীক প্ৰদক্ষিণ কৰা প্ৰক্ৰিয়াটোৰ তাৰতম্য ঘটিব। যাৰ ফলত পৃথিৱীৰ এটা অংশৰ ফালেহে চন্দ্ৰক দেখা যাব ; অৰ্থাৎ চন্দ্ৰক চাবলৈকে আমি পৃথিৱীৰ সেই অংশলৈ যাব লাগিব। পৃথিৱী আৰু চন্দ্ৰৰ মাজৰ দূৰত্ব কমি যোৱাৰ বাবে ইহঁতৰ মাজৰ মধ্যাকৰ্ষণ শক্তি বৃদ্ধি পাব। যাৰ ফলত পৃথিৱীয়ে চন্দ্ৰটোক অধিক শক্তিৰে নিজৰ কাষলৈ চপাই আনিব।তাৰ পৰিণতিস্বৰূপে এটা সময়ত চন্দ্ৰটো ভাগি উত্তপ্ত ধ্বংসাৱশেষলৈ পৰিণত হৈ আঙুঠিৰ দৰে পৃথিৱীৰ চাৰিওফালে সিচঁৰতি হৈ পৰিব। যদিও পৃথিৱীৰ পৰা এই দৃশ্য চাবলৈ অতি মনোৰম হ'ব, কিন্তু কালক্ৰমত এই ধ্বংসাৱশেষবোৰ পৃথিৱীলৈ সৰি পৰি ইয়াক অশান্ত কৰি তুলিব।চন্দ্ৰৰ অবিহনে পৃথিৱীৰ অস্তিত্ব নাই। অৱশ্যে তাৰ লগে লগে এখন নতুন পৃথিৱীৰ নিৰ্মাণ হ'ব।



********************